অধ্যক্ষৰ কাৰ্যালয়

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

(স্বায়ত্তশাসিত)

স্থাপিত ঃ ১৯৪৫

পোঃ আঃ - ডিব্ৰুগড় - ৭৮৬০০১

স্মাৰক নং ঃ ডি.এইচ.এছ.কে/ জানগী /২০২৬/ ১৮-১৫৮ তাৰিখ ঃ ২১/৮/২৬

প্ৰেৰক ঃ ড° শশীকান্ত শইকীয়া,
অধ্যক্ষ
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) (ফোন নং ঃ ০৩৭৩-২৩২৪১০৫)

## জাননী

### ছাত্ৰ একতা সভাৰ নিৰ্বাচন, ২০২৬-২৭

ইয়াৰ দ্বাৰা ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ সমূহ ছাত্ৰ-ছাত্ৰীক জনোৱা হয় যে, ২২ আগষ্ট, ২০২৬ তাৰিখে অনলাইন মাধ্যমত অনুষ্ঠিত হ'বলগীয়া ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সুচাৰুৰূপে, শান্তিপূৰ্ণভাৱে আৰু নিৰাপদ পৰিৱেশত অনুষ্ঠিত কৰাৰ স্বাৰ্থত মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে।

এই নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে সম্পন্ন হোৱাৰ স্বাৰ্থত মহাবিদ্যালয়ৰ সকলো স্তৰৰ সকলো পাঠদান ২২.০৮.২০২৬ তাৰিখে বাতিল কৰা হৈছে।

উক্ত নিৰ্বাচনৰ সময়ছোৱাত কেৱল নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকল আৰু প্ৰাৰ্থীৰ Election Agent-সকলৰ বাহিৰে আন কোনো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিব নোৱাৰিব।

আইন-শৃংখলা, নিৰ্বাচনী শৃংখলা আৰু মহাবিদ্যালয়ৰ শান্তিপূৰ্ণ পৰিৱেশ অটুট ৰখাৰ স্বাৰ্থত এই নিৰ্দেশনা কঠোৰভাৱে পালন কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীক আহ্বান জনোৱা হ'ল। কোনো ছাত্ৰ-ছাত্ৰীয়ে উক্ত নিৰ্দেশনা অমান্য কৰি মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিলে মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰয়োজনীয় বিধি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব।

সেয়েহে, ২২ আগষ্ট, ২০২৬ তাৰিখে নিৰ্বাচনৰ সময়ছোৱাত কেৱল অনুমোদিত ব্যক্তি তথা নিৰ্বাচনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত ছাত্ৰ-ছাত্ৰীসকলেহে মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিব আৰু বাকী সকলো ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয় চৌহদত প্ৰৱেশ নকৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

সকলোৰে সহযোগিতা আৰু শৃংখলাবদ্ধ আচৰণ কামনা কৰা হ'ল।

(ড° শশীকান্ত শইকীয়া)
অধ্যক্ষ
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়
(স্বায়ত্তশাসিত)

প্ৰতিলিপি ঃ

১। উপাধ্যক্ষ
২। মুখ্য নিৰ্বাচনী বিষয়া
৩। সদস্য সচিব, শৈক্ষিক পৰিষদ
৪। সমন্বয়ক, আভ্যন্তৰিণ মান নিৰ্ণয়াক কোষ
৫। মুখ্য সহায়ক
৬। শ্ৰী প্ৰতাপ সেনাপতি
৭। মহাবিদ্যালয় ৱেবছাইট
৮। জাননী ফলক
৯। কাৰ্যালয় নথি



Scanned with OKEN Scanner